# REGIONEL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৪০০ গৰাকী চিকিৎসা বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ১৯ হাজাৰ ৯৬৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰে।

oooooo

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে প্ৰভাৱিত লোকসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলিও তেওঁ মন্তব্য কৰে।

ooooo

অসম আৰু মেঘালয়ত আজি আৰু কাইলৈ ৰেড এলাৰ্ট জাৰি কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এই দুদিনত ৰাজ্য দুখনত ধুমুহা গাজনিৰে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে এই সতৰ্কতা জাৰি কৰিছে। মন্ত্ৰ্যালয়ে জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই সময়ছোৱাত ভূমিস্খলন আৰু বান প্ৰৱন এলেকাৰ বাসিন্দাসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। অৱশ্যে এই সময়ছোৱাত ৰাজ্যৰ বিভিন্ন অংশত তাপমাত্ৰা ৩৭ৰ পৰা ৩৮ ডিগ্ৰী ছেলছিয়াচৰ আশে-পাশে থকাৰ বাবে গৰম আৰু আদ্ৰতাৰ অনুভূতি পূৰ্বৰ দৰে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

oooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নেতৃত্বত দেশত প্ৰথমবাৰৰ বাবে সম্ভাব্য দুৰ্যোগৰ প্ৰস্তুতি, সঁহাৰি, সাহায্য আৰু পুনৰুদ্ধাৰ প্ৰচেষ্টাত অংশীদাৰ হিচাপে জনসাধাৰণক প্ৰাধিকৰণৰ সৈতে সহযোগ কৰিবলৈ এটা অনলাইন সঁহাৰি প'ৰ্টেল মুকলি কৰা হৈছে। ৰাজ্যত ক্ৰমাৎ বৃদ্ধি পোৱা প্ৰাকৃতিক দুৰ্যোগৰ

প্ৰতি লক্ষ্য ৰাখি এনে সময়ত জীৱনৰ সুৰক্ষা তথা ক্ষয়-ক্ষতি ৰোধৰ উপৰি ক্ষতিগ্ৰস্তসকলক সহায়ৰ ক্ষেত্ৰত সহযোগিতামূলক প্ৰচেষ্টা হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জৰুৰীকালীন কাৰ্যত অৰিহণা যোগাবলৈ আগ্ৰহীসকলক ONLINESDMA.ASSAM.GOV.IN/NGO/PUBLIC লিংকত গৈ পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ বাবে বেচৰকাৰী সংস্থা, স্বেচ্ছাসেৱক আৰু জনহিতৈষী সংস্থা বা লোকে পৃথকে পৃথকে পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে কালি বি টি চি নিৰ্বাচনৰ বাবে ভোটাৰ তালিকা প্ৰকাশৰ জাননী জাৰি কৰে। এই অনুসৰি কাইলৈ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হ'ব আৰু ২২ জুলাইত খচৰা তালিকা প্ৰকাশ পাব। ৫ আগষ্টৰ ভিতৰত দাবী আৰু আপত্তি দাখিল কৰিব পৰা হ'ব আৰু ১১ আগষ্টৰ ভিতৰত এইবোৰ নিষ্পত্তি কৰা হ'ব। ১৩ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা আৰু ১৮ আগষ্টত ভোটগ্ৰহণ কেন্দ্ৰৰ তালিকা প্ৰকাশ পাব। ০০০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰেচন কাৰ্ড থকা হিতাধিকাৰীসকলক দিবলগীয়া সামগ্ৰীৰ সন্দৰ্ভত অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি সুলভ মূল্যৰ দোকানী আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সদস্যসকলৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত বিভাগীয় মন্ত্ৰী কৌশিক ৰায়ে জনসাধাৰণৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অভিলাসী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে সকলোৰে সহায় সহযোগিতা কামনা কৰে। সভাত অসম ৰাজ্যিক গুদাম নিগমৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত যোৰহাট আৱৰ্ত ভৱনৰ সভাকক্ষত বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। বৈঠকত তেওঁ জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰী আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান লয়। শ্ৰীৰায়ে অহা অক্টোবৰৰ পৰা সুলভ মূল্যত মচুৰ দাইল, চেনি আৰু নিমখ বিতৰণত যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ বিভাগীয় বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেণত কালিৰে পৰা তিনিদিনীয়াকৈ ৰেচম বিভাগৰ উদ্যোগত এখন কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰেচম শিল্প অধীক্ষক কাৰ্যালয়ৰ উদ্যোগত আয়োজন কৰা এই কৰ্মশালাত অৰ্ধশতাধিক মহিলা প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। এই কৰ্মশালাতে কালি ৰেচম বিভাগৰ কাৰ্যবাহী সদস্যা কাচে ৰংপিপিয়ে সূতা কটা সামগ্ৰীও বিনামূলীয়াকৈ বিতৰণ কৰে।

০০০০০০০

সমাপ্ত